অধ্যায় ৮ ঃ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (৩)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অনন্ত কন্দলি
৮.৩.১ অনন্ত কন্দলিৰ কাব্য ৰচনাসমূহ
৮.৩.২ অনন্ত কন্দলিৰ অনুবাদ কৃতি
৮.৪ ৰাম সৰস্বতী
৮.৪.১ ৰাম সৰস্বতী মহাভাৰতৰ অনুবাদ
৮.৪.২ ৰাম সৰস্বতী বধ কাব্যৰাজি
৮.৪.৩ ৰাম সৰস্বতী মহাভাৰতৰ বাহিৰে অন্য কাব্যৰ অনুবাদ
৮.৪.৪ ৰাম সৰস্বতীৰ মহাভাৰতৰ কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শঙ্কৰী যুগৰ অসমীয়া সাহিত্যলৈ অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ অৰিহনাৰ বিষয়ে ধাৰণা লাভ কৰিব
- অনন্ত কন্দলিৰ কাব্য কৃতিৰ মাজেদি ফুটি উঠা কবিৰ উদ্ভাৱন ক্ষমতা আৰু মৌলিকত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসমীয়া সাহিত্যত বধকাব্যৰ অপ্ৰতিদ্বন্দ্বী কবি ৰূপে ৰাম সৰস্বতীৰ মূল্যায়ন কৰিব পাৰিব
- মহাভাৰতীয় কবি হিচাপে ৰাম সৰস্বতীয়ে ৰচনা কৰা অন্যান্য গ্ৰন্থৰ লগত পৰিচিত হ'ব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত মহাপুৰুষ মাধৱদেৱৰ সাহিত্য কৃতিৰ আলোচনা কৰা হ'ল। এই অধ্যায়টো আমি শঙ্কৰী যুগৰ অন্য দুগৰাকী উল্লেখযোগ্য কবি আৰু অনুবাদক অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ ৰচনাৰাজিৰ আলোচনা আগবঢ়াবলৈ লৈছো।

৮.৩ অনন্ত কন্দলি

শঙ্কৰী যুগৰ এগৰাকী অন্যতম প্ৰতিভাধৰ কবি অনন্ত কন্দলি। বৈষ্ণৱ পৰম্পৰাৰে উদ্বুদ্ধ অনন্ত কন্দলিৰ অনুবাদ পুথি *ভাগৱতৰ* ষষ্ঠ আৰু দশম স্কন্ধত (মধ্য আৰু শেষ)ত পোৱা তথ্য অনুসৰি তেওঁৰ জন্ম হৈছিল পঞ্চতীৰ্থ হাজোত; পিতৃৰ নাম ৰত্ন পাঠক। হৰিচৰণ তেওঁৰ পিতৃ প্ৰদত্ত নাম। তৰ্কশাস্ত্ৰত পাৰ্গত হোৱা বাবে তেওঁ অনন্ত কন্দলি নাম পায়। তদুপৰি শ্ৰীচন্দ্ৰ ভাৰতী, ভাগৱত আচাৰ্য্য আৰু ভাগৱত ভট্টাচাৰ্য্য আদি নামেৰেও অনন্ত কন্দলি বিভূষিত—

"ৰতন পাঠক নামে পণ্ডিত পৰম।
ভাগৱত শাস্ত্ৰে আছিল বিক্ৰম।।
শ্ৰীহৰিচৰণ নামে তাহান সন্ততি।
ব্যাকৰণ পঢ়ি নাম শ্ৰীচন্দ্ৰ ভাৰতী।।
তৰ্কত লভিলা নাম অনন্ত কন্দলি।
ভাগৱত আচাৰ্য্য পদবী ভৈলা বলী।।
ভাগৱত ভট্টাচাৰ্য্য বোলে আৰ্য্যজন।
তেহো বিৰচিলা পদ কৃষ্ণৰ চৰণে।।" (শেষ দশম)

অপ্ৰমাদী কবি মাধৱ কন্দলি আৰু মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰভাৱপুষ্ট অনন্ত কন্দলিৰ জীৱনকাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে যদিও সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্ৰন্থত এনেদৰে উল্লেখ পোৱা যায়— অনন্ত কন্দলি ষোড়শ শতাব্দীৰ তৃতীয় বা চতুৰ্থ দশকৰ ভিতৰত অৰ্থাৎ ১৫২০-১৫৩০ খ্ৰীষ্টাব্দৰ ভিতৰত সম্ভৱতঃ জন্মগ্ৰহণ কৰি ষোড়শ শতাব্দীৰ শেষ ভাগলৈকে জীৱিত আছিল।

অনন্ত কন্দলিৰ ৰচনাৰাজি অসমীয়া বৈষ্ণৱ সাহিত্যৰ অন্যতম অঙ্গ স্বৰূপ, য'ত সন্নিৱিষ্ট হৈ আছে কবি গৰাকীৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ। আলোচনাৰ সুবিধাৰে তেওঁৰ ৰচনাৱলীক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পাৰি—

ক) **কাব্য ঃ** *কুমৰ হৰণ* আৰু *বৃত্ৰাসুৰ বধ*।
খ) **অনুবাদ ঃ** *ৰামায়ণ (অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিস্কিন্ধা কাণ্ড, সুন্দৰাকাণ্ড আৰু লংকা কাণ্ড); ভাগৱতৰ দশম স্কন্ধ (মধ্য আৰু অন্ত্য)*।
গ) **নাট ঃ** *সীতাৰ পাতাল প্ৰৱেশ*।
ঘ) **তত্ত্বমূলক ঃ** *ভক্তি-সাধন* বা *বৈষ্ণৱামৃত* আৰু *জন্ম ৰহস্য*।
ঙ) **স্মৃতি শাস্ত্ৰ ঃ** *নীতিৰত্ন* আৰু *কল্পদ্ৰুম*।

৮.৩.১ অনন্ত কন্দলিৰ কাব্য ৰচনাসমূহ

কুমৰ হৰণ অনন্ত কন্দলি প্ৰণীত প্ৰথম কাব্য। অৱশ্যে কবিয়ে এই কাব্যখন *শ্ৰীচন্দ্ৰ ভাৰতী* নামেৰে ৰচনা কৰা। চন্দ্ৰ ভাৰতী অনন্ত কন্দলিৰ ডেকা কালৰ নাম। এই

প্ৰসঙ্গত ঘনকান্ত বৰাৰ এষাৰি মন্তব্য প্ৰণিধানযোগ্য। *কুমৰ হৰণ* কাব্যখনি কবিয়ে ডেকা কালত ৰচনা কৰা বাবেই তৰুণ কবিৰ চপলতা, সৌন্দৰ্য্যপ্ৰিয়তা আৰু আবেগপ্ৰৱণ মনৰ চিনাকি পোৱা যায় কাব্যখনিত। *কুমাৰ হৰণৰ* কাহিনী *বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ* আৰু *হৰিবংশত* পোৱা যায় যদিও কবিয়ে *ভাগৱত পুৰাণ* আৰু *হৰিবংশৰ* পৰাহে কথাবস্তু গ্ৰহণ কৰিছে। অৰ্থাৎ চন্দ্ৰ ভাৰতীৰ *কুমৰ হৰণৰ* মূল উৎস গ্ৰন্থ *ভাগৱত পুৰাণ* আৰু *হৰিবংশ*। মূলৰ লগত সঙ্গতি ৰাখি কাব্যখনৰ কাহিনী বিন্যাস, চৰিত্ৰ সৃষ্টি আৰু পৰিবেশ সংৰচনাত কবিয়ে মৌলিকতাৰ পৰিচয় দাঙি ধৰিছে। ফলত কাব্যখন ৰসোত্তীৰ্ণ হৈছে। কুজী বুঢ়ীৰ চৰিত্ৰ সৃষ্টি আৰু কাৰ্য্যাৱলী কবিৰ স্বকীয় উদ্ভাৱন। মূলত এই বিষয়ে উল্লেখ পোৱা নাযায়।

ঊষা-অনিৰুদ্ধৰ প্ৰেম, বিৱাহ আৰু হৰিহৰৰ যুদ্ধ বৰ্ণনাযুক্ত *কুমৰ হৰণ* কাব্যৰ বিষয়বস্তু গ্ৰহণ, ৰচনা কৌশল, তথা আদৰ্শগত দিশত শঙ্কৰদেৱৰ ৰচনাৰ প্ৰভাৱ উজ্বল ৰূপত অনুভূত। কাব্যখনৰ ৰস সৃষ্টিতো কবি সফল হৈছে। শৃঙ্গাৰ, বীৰ, হাস্য, কৰুণ, অদ্ভুত, বীভৎস আদি ৰসেৰে পূৰ্ণ *কুমাৰ হৰণত* শৃঙ্গাৰ আৰু বীৰ ৰসে প্ৰাধান্য লাভ কৰিছে। কিন্তু শেষলৈ শৃঙ্গাৰ ৰস ভক্তি ৰসলৈ পৰ্যবসিত হৈছে। অসমীয়া বৈষ্ণৱ সাহিত্যত *কুমাৰ হৰণ* কাব্য ৰূপে অতি জনপ্ৰিয়।

অনন্ত কন্দলিয়ে ৰচনা কৰা আন এখন কাব্য *বৃত্ৰাসুৰ বধ*।এই কাব্যখনৰ আধাৰ গ্ৰন্থ হ'ল *ভাগৱতৰ* ষষ্ঠ স্কন্ধ। *শ্ৰীচন্দ্ৰ ভাৰতীৰ* নামেৰে ভণিতা পেলোৱা *বৃত্ৰাসুৰ বধ* কাহিনী বৰ্ণনাত মূলৰ পৰা আঁতৰি যোৱা নাই যদিও পৰিৱেশ পৰিস্থিতি নিৰূপণত যৎসামান্য স্বকীয় সৃষ্টিৰ ৰহণ সানিছে। কাব্যখনৰ ভাষা প্ৰাঞ্জল আৰু সৰস। দুঃশক্তিৰে বলীয়ান বৃত্ৰাসুৰক দেৱৰাজ ইন্দ্ৰই দধীচি মুনিৰ অস্থিৰ দ্বাৰা নিৰ্মাণ কৰা ব্ৰজৰ দ্বাৰা কেনেকৈ বধ কৰিলে তাকেই কাব্যখনত বৰ্ণোৱা হৈছে। বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ *বৃত্ৰাসুৰ বধৰ* আন এটা মনকৰিব লগা দিশ। কাব্যখন পয়াৰ ছন্দত ৰচিত।

৮.৩.২ অনন্ত কন্দলিৰ অনুবাদ কৃতি

অনুবাদমূলক ৰচনাতো অনন্ত কন্দলিয়ে দক্ষতাৰ পৰিচয় দিছে। *ৰামায়ণ* এই ক্ষেত্ৰৰ উল্লেখনীয় গ্ৰন্থ। মাধৱ কন্দলিৰ ৰামায়ণৰ আৰ্হিত ৰচনা কৰা অনন্ত কন্দলিৰ *ৰামায়ণত অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিস্কিন্ধাকাণ্ড, সুন্দৰাকাণ্ড* আৰু *লঙ্কাকাণ্ডহে* পোৱা যায়। *ৰামায়ণখনক* কবিয়ে ভকতীয়া ৰূপ দিবলৈ যত্ন কৰাত এইখনক মাধৱ কন্দলিৰ *ৰামায়ণৰ ভাগৱত* বা বৈষ্ণৱ সংস্কৰণ বুলিব পাৰি। প্ৰাক্-শঙ্কৰী যুগৰ অপ্ৰমাদী কবিৰ দ্বাৰা অনূদিত *ৰামায়ণ* থকা স্বত্বেও অনন্ত কন্দলিয়ে পুনৰ কিয় দুঃসাহস কৰি *ৰামায়ণ* অনুবাদ কৰিব লগা হ'ল সেই সম্পৰ্কে এইদৰে কোৱা যায়—

"মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ আকুল কৰে মন।।
ৰামৰ সামান্য সন্ত কথা যথাৱত।
ভজনীয় গুণ যত নভৈল বেকত।।
এতেকে যতন কৰো ভকতিক পদে।
নুবুলিবা নিন্দা সদা শুনা সভাসদে।।"

এটা কথা ঠিক, অনন্ত কন্দলিয়ে *ৰামায়ণত* মাধৱ কন্দলিৰ দৰে লৌকিক আৰু নৈসৰ্গিক বৰ্ণনা, শব্দচয়ন, অলঙ্কাৰ আদি প্ৰয়োগত বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰিব নোৱাৰিলেও ভক্তি প্ৰকাশত সফল হৈছে বুলিব পাৰি।

অনন্ত কন্দলিয়ে অনুবাদ কৰা শ্ৰেষ্ঠ ৰচনা হ'ল *ভাগৱতৰ মধ্য, দশম* আৰু *শেষ দশম*। শঙ্কৰদেৱে মূল *ভাগৱতৰ* ১ম অধ্যায়ৰ পৰা ৪৯তম অধ্যায়লৈ *আদি দশম* অনুবাদ কৰি পৰৱৰ্তী ৫০তম অধ্যায়ৰ পৰা ৮১তম অধ্যায়লৈ *মধ্য দশম* আৰু ৮২তম অধ্যায়ৰ পৰা ৯০তম অধ্যায়লৈ *শেষ দশম* অনুবাদ কৰিবলৈ অনন্ত কন্দলিক দায়িত্ব দিয়ে। অৱশ্যে *শেষ দশমৰ* কেইবাটাও অধ্যায় শঙ্কৰদেৱেও অনুবাদ কৰিছে। সি যি কি নহওক, দশমৰ অনুবাদত অনন্ত কন্দলিয়ে নিজৰ পাণ্ডিত্যপূৰ্ণ জ্ঞান, দৰ্শন আৰু জটিল তত্ত্ব প্ৰাঞ্জলভাৱে বৰ্ণন কৰাৰ গুণ প্ৰকাশ কৰিছে। *ভাগৱতৰ* অনুবাদত কন্দলিয়ে শ্ৰীধৰ স্বামীৰ *ভাগৱত-ভাৱাৰ্থ দীপিকাৰ* সহায় লৈছে। অনুবাদৰ ক্ষেত্ৰত অনন্ত কন্দলি মুখ্যতঃ শঙ্কৰদেৱৰ ৰচনাৰীতিৰ দ্বাৰা অনুপ্ৰাণিত যদিও যুদ্ধৰ বৰ্ণনা আদিত কন্দলিৰ উৎসাহ অধিক দেখিয়েই শঙ্কৰদেৱে কৈছিল— "বামুণীৰ পো হৈ টোকৰ মাৰিলা, বেল শিৰত নপৈল, ভক্তিপৰ হ'ল হ্ৰস্ব, যুদ্ধত কৈলা দীৰ্ঘ্য।" মুঠতে অনন্ত কন্দলিৰ *ভাগৱতৰ দশম স্কন্ধ (মধ্য আৰু অন্ত)*ৰ ভাঙনি অসমীয়া বৈষ্ণৱ সাহিত্যৰ আদৰৰ বস্তু।

গ) নাট ঃ অনন্ত কন্দলিৰ 'সীতাৰ পাতাল প্ৰৱেশ' নাটখনৰ বিষয়বস্তু উত্তৰাকাণ্ড ৰামায়ণৰ পৰা গ্ৰহণ কৰা। নাটখন সম্প্ৰতি পোহৰলৈ অহা নাই যদিও দেৱেন্দ্ৰ নাথ বেজবৰুৱাই নাটখনি সৰ্বাঙ্গ সুন্দৰ আৰু লোকৰঞ্জক বুলি উল্লেখ কৰিছে।

ঘ) তত্ত্বমূলক ঃ অনন্ত কন্দলিৰ ভণিতা থকা দুখন ধৰ্মতত্ত্ব পুথি হ'ল— *ভক্তি-সাধন* বা *বৈষ্ণৱামৃত* আৰু *জন্মৰহস্য* বা *জীৱতুতি*। দুয়োখন গ্ৰন্থ মূলতঃ ভক্তি ধৰ্ম আৰু দৰ্শন সম্পকীয়।

ঙ) স্মৃতি শাস্ত্ৰ ঃ অনন্ত কন্দলিয়ে সঙ্কলন কৰা দুখন স্মৃতিশাস্ত্ৰ হ'ল *নীতিৰত্ন* আৰু *কল্পদ্ৰুম*।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অনন্ত কন্দলিৰ সাহিত্য কৃতি সম্পৰ্কে চমু পৰিচয় আগবঢ়াওক (১৫০টা শব্দৰ ভিতৰত লিখক)

৮.৪ ৰাম সৰস্বতী

শঙ্কৰী যুগৰ আন এগৰাকী স্বনামধন্য কবি হ'ল ৰাম সৰস্বতী। তেওঁ কোচ ৰাজসভাৰ কবি আছিল। কোচবংশীয় মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰাম সৰস্বতীৰ কাব্য প্ৰতিভাৰ ভানু উদিত হৈ সেই বংশৰ পৰৱৰ্তী কেইবা গৰাকী ৰজা ৰঘুদেৱ, পৰীক্ষিত নাৰায়ণ, বলিনাৰায়ণ বা ধৰ্মনাৰায়ণ আৰু দৰঙ্গী ৰজা ৰূপে খ্যাত সুন্দৰ নাৰায়ণৰ পুষ্ঠপোষকতাত কাব্যিক ৰশ্মিৰ পূৰ্ণ বিকাশ ঘটে।

অসমীয়া নৱবৈষ্ণৱ যুগৰ কবিসকলৰ ভিতৰত ৰাম সৰস্বতীয়ে অধিক পদ ৰচনা কৰি গৈছে। তেওঁ ৰচনা কৰা পদৰ সংখ্যা শঙ্কৰদেৱতকৈও অধিক। ইয়াৰ উপৰি ৰাম সৰস্বতীয়ে মহাভাৰতৰ সৰহ সংখ্যক পৰ্ব অসমীয়া পদলৈ অনুবাদ কৰিছে। পদ ৰচনাৰ ব্যাপকতা আৰু বৰ্ণনীয় কথাবস্তুলৈ দৃষ্টি ৰাখি ৰাম সৰস্বতীক অসমীয়া ব্যাস আখ্যা দিয়া হয়। এই মহাভাৰতীয় কবি গৰাকীৰ পিতৃদত্ত নাম আছিল অনিৰুদ্ধ। মহাভাৰতৰ বিভিন্ন পদ ভাঙনিত কবি গৰাকীৰ আত্মপৰিচয় পোৱা যায়—

"পিতৃয়ে মাতৃয়ে অনিৰুদ্ধ নাম দিলা।
কবিচন্দ্ৰ নাম গোট দেৱালে বুলিলা
ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ মোক কৰা বুলিলন্ত।।"

ৰাম সৰস্বতীৰ জন্মস্থান সম্পৰ্কেও বিতৰ্কৰ অন্ত নাই।কবিয়ে ভীষ্ম পৰ্বৰ ভাঙনিত কৈছে—

"কামৰূপ মধ্যে গ্ৰাম নাহিকে উপাম।
তাতে গ্ৰাম ভৈলা চমৰিয়া নাম।।
সেহি গ্ৰামেশ্বৰ ভৈলা কবি চূড়ামণি।
পণ্ডিত গণৰ মধ্যে যাক অগ্ৰগানি।।
গোবিন্দৰ ভকতিত যাহাৰ দিন গৈল।
তাত অনন্তৰে তাৰ দুই পুত্ৰ ভৈল।।
জ্যেষ্ঠ ভৈল কবিচন্দ্ৰ অতি শুদ্ধ মতি।
তাহান অনুজ ভৈল ৰামসৰস্বতী।।"

মহাভাৰতৰ বিভিন্ন পৰ্বৰ ভাঙনিত প্ৰদান কৰা আত্মপৰিচয়ৰ পৰা ৰাম সৰস্বতীৰ জন্মস্থান কামৰূপ পৰা পচৰীয়া (কোনো পুথিত চমৰীয়া) বুলি জানিব পাৰি। ৰাম সৰস্বতী ভীমসেন কবি চূড়ামণিৰ দ্বিতীয় তথা কণিষ্ঠ পুত্ৰ।

বাল্যকালত ৰাম সৰস্বতীয়ে তেওঁৰ জ্যেষ্ঠ ভাতৃ কবিচন্দ্ৰৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু তেওঁৰ নিজ গুৰু যে মুকুন্দদেৱ সেই কথা পৰম শ্ৰদ্ধা আৰু ভক্তিৰে উল্লেখ কৰিছে এইদৰে—

"প্ৰণামো মুকুন্দদেৱ মোৰ নিজ গুৰু।"

কবি জীৱনৰ প্ৰথম ভাগত ৰাম সৰস্বতীয়ে কোচৰজা নৰনাৰায়াণৰ পৃষ্ঠপোষকতাত

অধিকাংশ মহাভাৰতৰ পদ ৰচনা কৰিছে। ব্যাসদেৱৰ মূল মহাভাৰতৰ সম্পূৰ্ণ অনুবাদ কবিজনাই কৰা নাই যদিও অধিকাংশ পদানুৱাদ কৰিছে। এই ক্ষেত্ৰত তেওঁক গোপীনাথ পাঠক, বিদ্যা পঞ্চানন, কংসাৰি কবি আদি কবিসকলে সহায় কৰিছে।

ৰাম সৰস্বতীৰ সমগ্ৰ ৰচনাৱলীক আলোচনাৰ সুবিধার্থে চাৰিটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি। সেইসমূহ হ'ল—

ক) ***মহাভাৰতৰ অনুবাদ ঃ*** *আদি পর্ব, সভাপর্ব* (কিছু অংশ), *বনপর্ব, বিৰাট পর্ব* (কীচক বধ পর্যন্ত), *উদ্যোগ পর্ব, ভীষ্ম পর্ব* (অধিকাংশ), *দ্রোণ পর্ব* (গোপীনাথ পাঠকৰ সহযোগত) আৰু *কর্ণপর্ব* (বিদ্যা পঞ্চাননৰ সহযোগত)।

খ) **বধকাব্য ঃ** *পুষ্পহৰণ পর্ব, মণিচন্দ্র ঘোষ, বিজয় পর্ব, যজ্ঞপর্ব, কুলাচল বধ, বঘাসুৰ বধ, কাল কুঞ্জ শোষক বধ, ভীম চৰিত, কুলাচল বধ, বাঘসুৰ বধ, জঁটাসুৰ বধ, জঙঘাসুৰ বধ, খটাসুৰ বধ, সিন্ধুৰা পর্ব, অশ্বকর্ণ যুদ্ধ* আদি।

গ) ***মহাভাৰতৰ বাহিৰে অন্য কাব্যৰ অনুবাদ ঃ*** *গীত গোৰিন্দ* (জয়দেৱৰ *গীত গোৰিন্দ* কাব্যৰ কথাবস্তুৰ লগত *ভাগৱত পুৰাণৰ* বিষয়বস্তুৰ সংমিশ্রণ)।

ঘ) ***মহাভাৰতৰ কথাবস্তুৰ লগত সম্পর্কযুক্ত সুকীয়া কাব্য ঃ*** *পাঞ্চালী বিৰাহ, তীর্থযাত্রা, ব্যঞ্জন পর্ব, ব্যাসাশ্রম, সৰিত্রী উপাখ্যান* আৰু *স্ত্রীপর্ব*।

৮.৪.১ ৰাম সৰস্বতীৰ *মহাভাৰতৰ* অনুবাদ

মহাভাৰতৰ অনুবাদ ঃ ৰাম সৰস্বতীয়ে *মহাভাৰতৰ* মুঠ আঠটা পর্ব অনুবাদ কৰে। তেওঁ *আদিপর্ব, কর্ণপর্ব, উদ্যোগপর্ব* আৰু *বনপর্ব* সম্পূর্ণৰূপে আৰু *সভাপর্ব, ভীষ্মপর্ব, দ্রোণপর্ব্ব* সৰহ সংখ্যক পদ ভাঙনি কৰে। কবি গৰাকীয়ে লোক ৰুচিৰ প্রতি দৃষ্টি ৰাখি *মহাভাৰতৰ* বিভিন্ন পর্বৰ প্রয়োজনীয় কথাহে অনুবাদ কৰিছে। এই প্রসঙ্গত কবিয়ে উল্লেখ কৰিছে—

"সংক্ষেপে অর্থক ধৰি কহিলা নিশ্চয়।
বাহুল্য কৰিলে কথা অনেক আছয়।।"

কবিয়ে অবিকল অনুবাদৰ গুৰুত্ব দিয়াৰ পৰিৱর্তে পল্লৱিত ৰূপৰ মাজেদি ৰচনাৰ বৈচিত্র্যহে বেছিভাগ ঠাইতে দেখুৱাবলৈ যত্ন কৰিছে। লোক শিক্ষাৰ উদ্দেশ্যে কাব্য ৰচনা কৰা কাৰণে বহু ঠাইত বস্তুৰ জটিলতা এৰাই সৰলকৈ প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। স্থান বিশেষে আকৌ ঘটনাৰ সামগ্রিক ৰূপটোকে বিস্তৃত ৰূপত বর্ণনা কৰিছে। ৰচনাৰ মাজত সততে বৈষ্ণৱ আদর্শৰ জয়গান গোৱা দেখা যায়। ভক্তিবাদৰ সমর্থক কবিয়ে মহাভাৰতৰ অনুবাদত ভাগৱতৰ সমলো সংযোগ কৰিছে—

"মহাভাৰতৰ কথা ইহাত আছয়।
ভাগৱত শাস্ত্র আৰো মিশ্রিত হোৱয়।।"

মহাভাৰতৰ অনুবাদসমূহত গধু�ৰ তত্ত্ব বিচাৰ নাই। নাইবা নিৰঙ্গ ধৰ্মতত্ত্বৰ ব্যাখ্যা নাই। ঘৰুৱা শব্দৰ প্ৰয়োগ, উপমা, নিখুঁত চিত্ৰ অঙ্কন ৰাম সৰস্বতীৰ ৰচনাত বিশেষভাৱে মন কৰিব লগীয়া।

৮.৪.২ ৰাম সৰস্বতীৰ বধ কাব্যৰাজি

মহাভাৰতীয় অনুবাদৰ উপৰি ৰাম সৰস্বতীয়ে বধকাব্য নামৰ এক শ্ৰেণীৰ সাহিত্য সৃষ্টি কৰে। এই শ্ৰেণী কাব্যৰ বিষয়ৱস্তুৰ আধাৰ *মহাভাৰতৰ বনপৰ্বহ*'লেও ইয়াত কবিৰ কল্পনাৰ প্ৰাচুৰ্য্যহে দেখা যায়। বধকাব্যবোৰ সকলো ধৰ্মৰে মজ্জাগত ভাবৰ প্ৰকাশ বুলিব পাৰি। পাপক পৰাভূত কৰি ধৰ্ম ৰাজ্য সংস্থাপন কৰাই বধকাব্যবোৰৰ উদ্দেশ্য । কৃষ্ণৰ মহিমা প্ৰকাশ, ভক্তৰ গৌৰৱ ঘোষণা, দুষ্টক দমন, সন্তক পালন আদি আদৰ্শবোৰ বধকাব্যত পোৱা যায়। প্ৰত্যেকখনি কাব্যতে অত্যাচাৰী অসুৰৰ হাতত ভক্তৰ জীৱন কেনেভাৱে বিপন্ন হৈছিল, ভগৱানত বিশ্বাস থাকিলে কেনেদৰে ভক্তক বিপদৰ পৰা ৰক্ষা কৰে, সেইবোৰ বধকাব্যত বৰ্ণনা কৰিছে—

"হৰি ৰক্ষা কৰি ফুৰে সৰ্ব বিপদত।
ধেঁনু ৰাখি ফুৰে যেন বৎসক স্নেহত।।"

বধকাব্যবোৰ এক প্ৰকাৰ ৰূপক কাব্য। এই প্ৰসঙ্গতে বাণীকান্ত কাকতিয়ে কৈছে—

"অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰেদি পাতালী গঙ্গাৰ দৰে
দাস্য আৰু বাৎসল্য ৰসৰ মূল ভাব বৈ আছে।
বধকাব্যবোৰ সকলো ধৰ্মৰে অন্তৰ্নিহিত
আন এটি মজ্জাগত ভাবৰ প্ৰকাশ।
সেইটো হৈছে জগতত সাম্যভাব প্ৰৱৰ্তনৰ চেষ্টা
আৰু ঐকান্তিক ভক্তিৰ বিজয় ঘোষণা।
প্ৰৱল শত্ৰুৰ দ্বাৰা লাঞ্ছিত ৰাজ্যৰ পৰা বিতাৰিত
নিঃসহায়, বন্ধুহীন পাণ্ডৱ পুত্ৰসকলে যে বাৰ বছৰ
অগম্য বনৰ মাজত সকলো দুখ-দুৰ্গতিৰ
মহৌষধি স্ৱৰূপ হৰিনাম হৃদয়ত ধাৰণ কৰি
সকলো সঙ্কটৰ পৰা নিস্তাৰ পাব,
তাক বিভিন্ন আখ্যানত দেখুওৱা হৈছে।"

বধকাব্যবোৰ অসমীয়া সাহিত্যৰ অনুপম সম্পদ স্ৱৰূপ। সাহিত্যৰ গুণৰাজিৰেও এই কাৰ্য্যবোৰ সমৃদ্ধ। যুদ্ধ বিগ্ৰহ বৰ্ণনা সৰ্বাধিক যদিও বধকাব্যবোৰত বিমল হাস্যৰসো বিদ্যমান। কাব্যবোৰ একাধাৰে ধৰ্ম গ্ৰন্থ, কাব্য, উপন্যাস, গীত আৰু নাটক।

৮.৪.৩ ৰাম সৰস্বতীৰ *মহাভাৰতৰ* বাহিৰে অন্য কাব্যৰ অনুবাদ

মহাভাৰতৰ বাহিৰে অন্য কাব্যৰ অনুবাদ ঃ ৰাম সৰস্বতীয়ে *গীত গোৰিন্দ* নামৰ এখন পুথি ৰচনা কৰিছে।বংগদেশৰ কবি জয়দেৱৰ *গীত গোৰিন্দ* কাব্যৰ কাহিনীৰ লগত *ভাগৱত পুৰাণৰ* বিষয়বস্তু সংমিশ্রিত কৰি আমাৰ কবিয়ে পুথিখন প্রণয়ন কৰিছে। কোচ ৰজা ধর্ম নাৰায়ণৰ পৃষ্ঠপোষকতাত অনুবাদ কৰা কাব্যখনত পয়াৰ আৰু ত্রিপদী ছন্দ ব্যৱহাৰ কৰাত গীতিমুধৰ হৈছে। ভাগৱতৰ ৰাম পঞ্চাধ্যায়ৰ প্রভাৱ থকা গীতিকাব্যখনত কবিয়ে কৈছে—

"গোৰিন্দৰ ৰাসক্রীড়া গোপিকা সহিত।
একত্র কৰিয়া ভাগৱত সমন্বিত।।
দুয়োকথা নিৱন্ধ কৰিবো এক ঠাই।
যাহাকে স্মৰণে লোক বৈকুণ্ঠক যাই।।"

কাব্যখনত ভগৱান কৃষ্ণ বা গোৰিন্দৰ মহিমা অতি উজ্বল ৰূপত প্রকাশমান।

৮.৪.৪ ৰাম সৰস্বতীৰ *মহাভাৰতৰ* কথাবস্তুৰ লগত সম্পর্কযুক্ত সুকীয়া কাব্য

ৰাম সৰস্বতীৰ *মহাভাৰতৰ* কথাবস্তুৰ লগত সম্পর্কযুক্ত সুকীয়া কাব্য ঃ কাব্যৰসিক ৰাম সৰস্বতীয়ে *মহাভাৰত* সৈতে সম্বন্ধযুক্ত কাহিনীৰে কেইবাখনো কাব্য ৰচনা কৰিছে; যিবোৰ বধকাব্যসমূহৰ দৰেই ঐশ্বর্য্যশালী। সেইকেইখন হ'ল— *পাঞ্চালী বিবাহ, তীর্থযাত্রা, ব্যঞ্জন পর্ব, ব্যাসাশ্রম, সাবিত্রী উপাখ্যান* আৰু *স্ত্রীপর্ব*। ইয়াৰে *পাঞ্চালী বিবাহ* কাব্যখনত *মার্কণ্ডেয় পুৰাণৰ* কাহিনী সংযুক্ত হৈ আছে। কৃষ্ণৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰাটোয়ে কাব্য-কেইখনৰ মূল লক্ষ্য বুলিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মহাভাৰতীয় কবি ৰাম সৰস্বতীৰ পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত লিখক)



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ শেষত আমি শঙ্কৰী যুগৰ দুগৰাকী প্রমুখ কবি অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিলো।
- অনন্ত কন্দলিৰ অন্যতম কাব্যকৃতি *কুমাৰ হৰণৰ* চমু পৰিচয় লাভ কৰিলো।
- অনন্ত কন্দলিৰ মৌলিকত্ব আৰু পাণ্ডিত্য ফুটি উঠা তেওঁৰ দ্বাৰা সৃষ্ট অনুবাদ কৃতিসমূহৰ পৰিচয় লাভে শঙ্কৰী যুগৰ এগৰাকী সফল অনুবাদক হিচাপে তেওঁক মূল্যায়ন কৰা পথ সূচল হৈছে।

- মধ্যযুগীয় অসমীয়া সাহিত্যত *বধ কাব্যৰ* অন্যতম শ্ৰেষ্ঠ ৰচনাকাৰ ৰাম সৰস্বতীৰ সৃষ্টিৰাজিৰ লগত পৰিচয়ে আমাক তেওঁৰ সৃষ্টিসমূহ মূল্যায়ন কৰাত সহায় কৰিছে।
- দুয়োগৰাকী কবিৰ সৃষ্টিৰাজিৰ মাজেদি সমসাময়িক যুগৰ কবি-সাহিত্যিকসকলৰ কাব্য চৰ্চাৰ প্ৰকৃতি আৰু স্বৰূপ কি আছিল তাৰ আভাস পাব পাৰি।



৮.৬ অধিক জানিবলৈ

১) গোস্বামী, পূৰ্ণচন্দ্ৰ (সম্পা.) (১৯৫৯); *শ্ৰীশ্ৰীমাধৱদেৱ কাব্যামৃত*; পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) ডেকা হাজৰিকা, কৰবী (১৯৯৮); *মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন*; ডিব্ৰুগড় ঃ বনলতা।

৩) দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা.) (১৯৯৯); *সপ্তকাণ্ড ৰামায়ণ*; গুৱাহাটী ঃ দত্ত বৰুৱা পাব্লিচিং কোম্পানী প্ৰাঃ লিঃ।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) মজুমদাৰ, বিমল (২০১৩); *ভক্তি সাহিত্য;* পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০১১); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; ৰিহাবাৰী, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০১৩); *অসমীয়া নাট্য সাহিত্য*; ৰিহাবাৰী, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮) শৰ্মা, হেমন্ত কুমাৰ (১৯৮৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অনন্ত কন্দলিৰ চমু পৰিচয়... ...তেওঁৰ সাহিত্য কৃতিৰ চমু পৰিচয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ ৰাম সৰস্বতীৰ চমু পৰিচয়... ...তেওঁ মহাভাৰতীয় কবি ৰূপে কিয় প্ৰসিদ্ধ তাৰ আলোচনা... ...তেওঁৰ মৌলিকত্ব বিচাৰ কৰক (এই প্ৰশ্নৰ উত্তৰ লিখিবলৈ শিক্ষাৰ্থীয়ে তথ্য সমৃদ্ধ প্ৰসঙ্গ পুথিৰ সহায় লোৱা বাঞ্ছনীয়)



৭.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শঙ্কৰী যুগৰ কবি হিচাপে অনন্ত কন্দলি আৰু ৰাম সৰস্বতীয়ে সেই যুগটোলৈ কি অৱদান আগবঢ়ালে?

প্ৰশ্ন ২ ঃ অনন্ত কন্দলিৰ সাহিত্যৰাজিৰ শ্ৰেণীবিভাজন কৰি এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ কাব্যকাৰ অনন্ত কন্দলিৰ কৃতিসমূহ মূল্যায়ন কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া সাহিত্যত বধ কাব্যৰ ৰচক হিচাপে ৰাম সৰস্বতীৰ এটি মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ ৰাম সৰস্বতীৰ সৰহ ভাগ ৰচনাই মহাভাৰতকেন্দ্ৰিক —ইয়াৰ আধাৰত তেওঁৰ ৰচনাসমূহৰ গুণাগুণ বিচাৰ কৰক।

*** ***** ***